Total No. of Printed Pages—3

## 2 SEM TDC ASMH (CBCS) C 4

**2024**

( May )

ASSAMESE

( Core )

Paper : C–4

( সাহিত্যতত্ত্ব )

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ দিয়াঁ : ১×৮=৮

(ক) 'শব্দাৰ্থৌ সহিতৌ কাব্যম্'—উক্তিটো কোনগৰাকী প্ৰাচীন ভাৰতীয় সমালোচকৰ?

(খ) *Poetics* গ্ৰন্থৰ ৰচক কোন?

(গ) বক্ৰোক্তিবাদৰ প্ৰধান প্ৰৱক্তাগৰাকী কোন?

(ঘ) কবিতাত সদৃশ ব্যঞ্জনবৰ্ণৰ ওচৰা-ওচৰিকৈ পুনৰাবৃত্তি হ'লে কোনবিধ অলংকাৰ সৃষ্টি হয়?

(ঙ) অসমীয়া সাহিত্যৰ এগৰাকী ৰহস্যবাদী কবিৰ নাম লিখাঁ।

(চ) অসমীয়া কবিতাত ৬+৬+৮ মাত্ৰাৰ ছন্দসজ্জাটোৰ নাম কি?

(ছ) 'ধ্বনি আৰু ৰসতত্ত্ব' গ্ৰন্থৰ গ্ৰন্থকাৰগৰাকীৰ নাম লিখাঁ।

(জ) অসমীয়া কাব্য-ইতিহাসত কোনগৰাকী কবিয়ে পোনপ্ৰথম অমিত্ৰাক্ষৰ ছন্দ প্ৰয়োগ কৰিছিল?

২। (ক) ৰস কাক বোলে? ৰস কেইপ্ৰকাৰ আৰু কি কি? ৰস কিদৰে নিষ্পন্ন হয়, বুজাই লিখাঁ। ২+৪+৮=১৪

*অথবা*

(খ) "কাব্যস্যাত্মা ধ্বনিৰীতি"—আনন্দবৰ্দ্ধনৰ এই উক্তিৰ আধাৰত কাব্যত ধ্বনিৰ গুৰুত্ব সম্পৰ্কে বুজাই লিখাঁ। ১৪

৩। (ক) ধ্ৰুৱবাদ আৰু ৰমণ্যাসবাদৰ এটি তুলনামূলক আলোচনা আগবঢ়োৱাঁ। ১৪

*অথবা*

(খ) বাস্তৱবাদ বুলিলে কি বুজাঁ? বাস্তৱবাদৰ বিশেষত্বসমূহ উল্লেখ কৰি এটা আলোচনা আগবঢ়োৱাঁ। ৪+১০=১৪

৪। (ক) সাহিত্যৰ অলংকাৰ বুলিলে কি বুজাঁ? অলংকাৰ কেই-প্ৰকাৰৰ আৰু কি কি? শব্দালংকাৰসমূহৰ উদাহৰণসহ পৰিচয় দিয়াঁ। ৩+২+১০=১৫





*অথবা*

(খ) তলৰ যি কোনো তিনিবিধ অলংকাৰৰ বিষয়ে সংজ্ঞাসহ উদাহৰণ দি বুজাই লিখাঁ : ৫×৩=১৫

যমক; শ্লেষ; সমাসোক্তি; অৰ্থান্তৰন্যাস; ব্যাজস্তুতি।

৫। তলৰ যি কোনো দুটাৰ বিষয়ে চমু টোকা লিখাঁ : ৭×২=১৪

(ক) যতি

(খ) চৰণ

(গ) স্তবক

৬। (ক) অসমীয়া যৌগিক ছন্দৰীতিৰ বিষয়ে এটি টোকা প্ৰস্তুত কৰাঁ। ১৫

*অথবা*

(খ) মুক্তক ছন্দ বুলিলে কি বুজাঁ? মুক্তক ছন্দৰ বিশেষত্বসমূহ উদাহৰণসহ বুজাই লিখাঁ। ৩+১২=১৫

★★★